অসম আদিত্য

## জকাইত গায়ন-বায়ন সমাৰোহ

ৰিপৰ্টাৰ, ৬ ফেব্ৰুৱাৰী ঃ ...ৰী কলা-কৃষ্টি আৰু দেৱবাদ্য ... জীয়াই ৰখাৰ প্ৰয়াসেৰে ... গায়ন-বায়ন সন্থাই বিভিন্ন ...সূচী গ্ৰহণ কৰি আহিছে। ...ৰে অংশ হিচাপে ডিব্ৰুগড় ...ৰ জকাই সমিতিৰ ৰবৰকৰা ...লিকে এক সমাৰোহ উদ্‌যাপন ...। জকাই কলিয়নি গাঁৱৰ ...জৰ আতিথ্যত আয়োজিত এই ...ৰোহত ডিব্ৰুগড় জিলাৰ বিভিন্ন ...ৰ পৰা মৃদঙীয়াল গায়ন-বায়ন ... অংশগ্ৰহণ কৰে। সৰ্বমুঠ ৩২ ...ল অংশগ্ৰহণ কৰা সমাৰোহত

# কানৈলৈ শ্ৰেষ্ঠ শৃংখলাবদ্ধ মহাবিদ্যালয় বঁটা

**ডিব্ৰুগড়, ৬ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত একেৰাহে তৃতীয়বাৰৰ বাবে ডি এইচ এছ কানৈ (চমুকৈ কানৈ) মহাবিদ্যালয়ে শ্ৰেষ্ঠ শৃংখলাবদ্ধ মহাবিদ্যালয় বঁটা অৰ্জন কৰিবলৈ সক্ষম হয়। তিনিচুকীয়া জিলাৰ ডিগবৈ মহিলা মহাবিদ্যালয়ত অনুষ্ঠিত আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত ডি এইচ এছ কানৈ মহাবিদ্যালয়ে এইবাৰ কেৱল শ্ৰেষ্ঠ শৃংখলাবদ্ধ মহাবিদ্যালয় বঁটাই নহয়, তৃতীয় শ্ৰেষ্ঠ মহাবিদ্যালয়ৰ সন্মানো লাভ কৰিবলৈ সক্ষম হয়। এয়া কানৈ মহাবিদ্যালয় পৰিয়ালে ধাৰাবাহিকভাৱে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশত কৰি অহা কষ্ট আৰু পৰিশ্ৰমৰ ফল বুলি চৰ্চিত হৈছে। মন কৰিবলগীয়া যে বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱতে নহয়, দেশৰ বিভিন্ন প্ৰান্তত, বিভিন্ন প্ৰতিযোগিতাৰ লগতে বিদেশৰ ক্ৰীড়া ক্ষেত্ৰতো কানৈ মহাবিদ্যালয়ে জয়যাত্ৰা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে। এইবাৰ বিশ্ববিদ্যালয়ৰ যুৱ

## আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ

মহোৎসৱত কানৈ মহাবিদ্যালয়ে মুঠ নটা প্ৰতিযোগিতাত জয়ী হৈ মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিছে। প্ৰতিযোগিতাত ক্ৰমে— চেটাৰ বাদনত অনন্যা দত্ত, তবলা বাদনত স্বপ্ননীল ফুকন, ৰংগুলীত চিৰঞ্জীৱ সন্দিকৈয়ে প্ৰথম স্থান লাভ কৰাৰ লগতে গীটাৰ বাদনত অনুৰাগ বৰা, সৃষ্টিশীল নৃত্যত দ্বিপজ্যোতি বড়া, কবিতা আবৃত্তিত আকাশ উদয় আৰু কুইজত চিৰঞ্জীৱ সন্দিকৈ আৰু পৰাংগম শৰ্মাই দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। এই বিজয় লাভ কৰি কানৈ মহাবিদ্যালয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সকলো মহাবিদ্যালয়ৰ ভিতৰত ২০২২-২৩ বৰ্ষৰ শ্ৰেষ্ঠ শৃংখলাবদ্ধ মহাবিদ্যালয় বঁটা আৰু তৃতীয় শ্ৰেষ্ঠ মহাবিদ্যালয় সন্মানেৰে সন্মানীত হোৱাত কানৈ মহবিদ্যালয় পৰিয়াল উৎফুল্লিত হৈছে। মহাবিদ্যালয়খনলৈ এনে গৌৰৱ কঢ়িয়াই অনাৰ বাবে অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই অংশগ্ৰহণকাৰী সকলো ছাত্ৰ-ছাত্ৰীক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰে। উল্লেখ্য যে কানৈ মহাবিদ্যালয়ৰ এই জয়যাত্ৰাৰ মাজতে এন চি চিৰ কেডেট অলক শৰ্মা দেশৰ ভিতৰত উজলি উঠাত এন চি চিৰ সঞ্চালকপ্ৰধানেও সন্মানীত কৰে। সেয়ে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ২৮ জানুৱাৰীত অলক শৰ্মালৈ এক দীঘলীয়া প্ৰশংসা-পত্ৰও প্ৰেৰণ কৰিছে। ক্ৰীড়াৰ ক্ষেত্ৰখনত মহাবিদ্যালয়খন আগুৱাই নিয়াৰ অংশ হিচাপে ইতিমধ্যে অসমৰ প্ৰথমখন ক্ৰীড়া বিশ্ববিদ্যালয় শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ স'তেও কানৈ মহাবিদ্যালয়ে প্ৰখ্যাত অলিম্পিক খেলুৱৈ জাফৰ ইকাবাল আৰু বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য, অধ্যাপক জে পি বাৰ্মাৰ উপস্থিতিত বুজাবুজি চুক্তি সম্পন্ন কৰিছে।

